**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-09-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

নাগৰিকত্ব সংশোধনী আইনৰ অধীনত নাগৰিকত্ব লাভৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে নতুন নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি আবেদনৰ যোগ্যতাৰ সময়সীমা ২০২৪ চনৰ ৩১ ডিচেম্বৰলৈ বৃদ্ধি কৰা হৈছে। এই আইনৰ অধীনত ভাৰতত আশ্ৰয় গ্ৰহণ কৰা পাকিস্তান, আফগানিস্তান আৰু বাংলাদেশৰ ধৰ্মীয় সংখ্যালঘুৱে ভাৰতীয় নাগৰিকত্বৰ বাবে আবেদন কৰিব পাৰিব। ইয়াৰ আগেয়ে নাগৰিকত্ব সংশোধনী আইনৰ অধীনত ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ পূৰ্বে ভাৰতত প্ৰৱেশ কৰা লোকে ভাৰতীয় নাগৰিকত্বৰ বাবে আবেদন কৰিব পাৰিছিল।

০০০০০

অৰ্জুন বঁটাৰে সন্মানিত প্ৰথমগৰাকী অসমীয়া ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাজ্যিক ক্ৰীড়া দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে আজি গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আয়োজিত বিশেষ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। ক্ৰীড়াবিদগৰাকীৰ প্ৰতি সন্মান জনাই আজি সৰুসজাই ক্ৰীড়া প্ৰকল্পক অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্প হিচাপে নামকৰণ কৰা হয়। ক্ৰীড়া দিৱস উদযাপনৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পদক বিজয়ীসকলক নিযুক্তি পত্ৰ আৰু আৰ্থিক পুৰস্কাৰ প্ৰদান কৰে। তদুপৰি ২০২৪-২৫ বৰ্ষৰ ৰাজ্যিক ক্ৰীড়া বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত ২০২৫-২৬ বৰ্ষৰ ৰাজ্যিক ক্ৰীড়া বঁটা ঘোষণা আৰু ক্ৰীড়া পেঞ্চন প্ৰদান কৰা হয়। খেল' ইণ্ডিয়া, ২০২৫ বৰ্ষৰ পদক বিজয়ীসকলক আৰ্থিক পুৰস্কাৰ আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলক বীৰ চিলাৰায় বঁটাও প্ৰদান কৰা হয়। ৰাজ্যিক সেৰা আঁচনিৰ বঁটাসমূহো এই অনুষ্ঠানতে বিতৰণ কৰা হয়। ১৭ বছৰ অনুৰ্ধ ছোৱালীৰ সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ বিজয়ী দলক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে খেল মহাৰণ বিষয়ক গ্ৰন্থ উন্মোচন কৰা হয়।

০০০০০

শিক্ষা বিভাগে ২০২৫ বৰ্ষৰ ৰাজ্যিক কৃতী শিক্ষক বঁটাৰ বাবে ১৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ নাম ঘোষণা কৰিছে। সমগ্ৰ শিক্ষা অসমৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত আজি মাধ্যমিক শিক্ষাৰ ৮ গৰাকী আৰু প্ৰাথমিক শিক্ষাৰ ৭ গৰাকী কৃতী শিক্ষক-শিক্ষয়িত্ৰীৰ নাম ঘোষণা কৰা হয়। মাধ্যমিক শিক্ষাৰ শিক্ষক সকলৰ ভিতৰত ডিব্ৰুগড়ৰ টাইফাকে উচ্চ মাধ্যমিক প্ৰাথমিক বিদ্যালয়ত নি য়ট ৰেংকেন, ৰাষ্ট্ৰভাষা বিদ্যালয় ডুলিয়াজানৰ লীলাধৰ উপাধ্যায়, মৰাণ পাবিক হাইস্কুলৰ স্বপ্নালী গগৈ, তিনিচুকীয়াৰ জি বি চৌখানী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰণজিৎ বিকাশ চেতিয়া, লখিমপুৰৰ পানীগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভৃগু প্ৰসাদ শৰ্মা, পি এম শ্ৰী টাৰিয়নি বৰবিল হাইস্কুলৰ ডম্বৰুধৰ নেৱাৰ, যোৰহাটৰ আদৰ্শ জনজাতীয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰাজেশ

বৰদলৈ আৰু হাইলাকাণ্ডিৰ পি এম শ্ৰীজামিৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চুফিয়ান চিদ্দিকি বৰভূঞা আছে। একেদৰে প্ৰাথমিক শিক্ষাৰ কৃতী শিক্ষক বঁটাৰ বাবে ডিব্ৰুগড়ৰ পূৰ জালনি নিম্ন প্ৰাথমিক বিদ্যালয়ৰ নিজু ৰাভা, ডাঙৰচুক নিম্ন প্ৰাথমিক বিদ্যালয়ৰ গুণিন্দ্ৰ গোহাই, গোলাঘাটৰ এক নম্বৰ পৰানগনিয়া জ্যোতি নিম্ন প্ৰাথমিক বিদ্যালয়ৰ নবীন চন্দ্ৰ দাস, শিলভেটা নিম্ন প্ৰাথমিক বিদ্যালয়ৰ নন্দিতা ৰাজপুত, যোৰহাটৰ ২৯৫ নম্বৰ কুহুমযুগনীয়া নিম্ন প্ৰাথমিক বিদ্যালয়ৰ অনিল চন্দ্ৰ হাজৰিকা, বালিগাওঁ মাধ্যমিক বিদ্যালয়ৰ দিপীকা সভাপণ্ডিত আৰু কামৰূপ মহানগৰৰ ১০ নম্বৰ মাজিৰগাওঁ কে আৰ এম নিম্ন প্ৰাথমিক বিদ্যালয়ৰ উৰ্বশী দাস নিৰ্বাচিত হৈছে। অহা ৫ ছেপ্তেম্বৰত শিক্ষক দিৱসৰ কাৰ্যসূচীত এই শিক্ষকসকলক বঁটা প্ৰদান কৰা হ'ব।

ooooo

অসমৰ অনাতাঁৰ সংবাদ সেৱাৰ অন্যতম বাটকটীয়া বিৰাজ দাসৰ আজি দেহাৱসান ঘটে। বৰ্ষীয়ান সাংবাদিক গৰাকীয়ে আজি বিয়লি প্ৰায় ৩ বাজি ৫৫ মিনিটত গুৱাহাটীৰ নেমকেয়াৰ হস্পিতালত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৯ বছৰ।

ভাৰতীয় তথ্য সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া, আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ প্ৰাক্তন যুটীয়া সঞ্চালক তথা আন্তৰ্জাতিক পৰ্যায়ত  আকাশবাণীৰ বিশেষ সংবাদদাতাৰ পদবীত কাৰ্যনিৰ্বাহ কৰা প্ৰথম অসমীয়া বিৰাজ দাসে ১৯৬৬ ৰ পৰা ১৯৭২ চনলৈ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনৰ প্ৰেছ ইনফৰমেছন ব্যুৰোত তথ্য সহায়ক আৰু সহকাৰী তথ্য বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৭৩ চনৰ পৰা ৭৬ চনলৈ তেওঁ আকাশবাণী ডিব্ৰুগড়ৰ সংবাদদাতা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু ১৯৭৯ৰ পৰা ১৯৮৪ চনলৈ তেওঁ আকাশবাণী গুৱাহাটীৰ সংবাদদাতা হিচাপে কৰ্মৰত আছিল। বিৰাজ দাসৰ বিয়োগত আকাশবাণী গুৱাহাটীৰ বিষয়া কৰ্মচাৰীসকলৰ লগতে ৰাজ্যখনৰ সাংবাদিকতাৰ ক্ষেত্ৰৰ সৈতে জড়িত বহু লোকে গভীৰ শোক প্ৰকাশ কৰিছে। কাইলৈ  তেওঁৰ নশ্বৰ দেহ আকাশবাণী গুৱাহাটীলৈ অনা হ'ব আৰু সকলোৱে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰিব।

ooooo

ঃঃ সমাপ্ত ঃঃ